“মই তেমালোকৰ ওপৰত যিটো বিষয়ক আটাইতকৈ বেছি ভয় কৰোঁ সেইটো হৈছে সৰু শ্বিৰ্ক।" উপস্থিত লোকসকলে ক'লেঃ হে আল্লাহৰ ৰাছুল! সৰু শ্বিৰ্ক আকৌ কি? তেখেতে ক'লেঃ "সেইটো হৈছে ৰিয়া

মাহমূদ বিন লাবীদ ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বর্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে: “মই তেমালোকৰ ওপৰত যিটো বিষয়ক আটাইতকৈ বেছি ভয় কৰোঁ সেইটো হৈছে সৰু শ্বিৰ্ক।" উপস্থিত লোকসকলে ক'লেঃ হে আল্লাহৰ ৰাছুল! সৰু শ্বিৰ্ক
আকৌ কি? তেখেতে ক'লেঃ "সেইটো হৈছে ৰিয়া (লোকক দেখুৱাবলৈ কৰা আমল)। কিয়ামতৰ দিনা যেতিয়া মানুহক সিহঁতৰ আমলৰ প্ৰতিফল প্ৰদান কৰা হ'ব তেতিয়া সিহঁতক আল্লাহে ক'বঃ যোৱা তোমালোকে সিহঁতৰ ওচৰলৈ যোৱা যিসকলক দেখুৱাবলৈ তোমালোকে আমল কৰিছিলা, গৈ চোৱাচোন সিহঁতৰ ওচৰত তোমালোকে কিবা প্ৰতিদান পোৱানে নাই?”
[হাছান] [(আহমদ)]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে যে, তেখেতে উম্মতৰ প্ৰতি যিটো বিষয়কলৈ আটাইতকৈ বেছি আশংকা কৰিছে সেইটো হৈছে সৰু শ্বিৰ্ক, অৰ্থাৎ ৰিয়া বা লোকক দেখুৱাবলৈ কৰা আমল। ইয়াৰ পিছত তেখেতে উল্লেখ কৰিছে যে, লোকক দেখুৱাবলৈ কৰা আমলৰ গৰাকীসকলক কিয়ামতৰ দিনা শাস্তি স্বৰূপে কোৱা হ'ব যে, তোমালোকে যিসকল লোকক দেখুৱাবলৈ আমল কৰিছিলা আজি সিহঁতৰ ওচৰলৈ গৈ প্ৰতিদান বিচৰাগৈ, সিহঁতে তোমালোকক সেইবোৰ আমলৰ প্ৰতিদান দিব পাৰিবনে?

http://www.sunnah.global/hadeeth/as/show/3381